# PROJECT ON


TOPIC : Expansion of Modern education and contribution of Christian missionaries

Submitted by :
Name : Salma Begum
Roll No : 10, 6th Sem
Sub : History, Major (C-14)

Submitted to
Minakshi Borah Ma'am
Deppt : History

বিষয়ঃ

# ⇒ আধুনিক শিক্ষাৰ বিস্তাৰ আৰু মিছনেৰীসকলৰ অৱদান



চিত্ৰঃ অসমত আগমণ কৰা খ্ৰীষ্টান মিছনেৰীসকল

(১) **পৰিচয় :** আধুনিক শিক্ষা হৈছে এনে এক শিক্ষা ব্যৱস্থা, যিয়ে বৈজ্ঞানিক চিন্তাধাৰা, যুক্তিবাদ, সামাজিক সচেতনতা আৰু মানৱ কল্যাণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অসমৰ ক্ষেত্ৰত আধুনিক শিক্ষাৰ আৰম্ভণি ঊনবিংশ শতিকাৰ যুগত হয়। এই সময়ছোৱাত খ্ৰীষ্টান মিছনেৰীসকলৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। তেওঁলোকে বিদ্যালয় স্থাপন কৰাৰ লগতে ভাষা, সাহিত্য, সংবাদপত্ৰ, মুদ্ৰণ প্ৰণালী আৰু সমাজ সংস্কাৰৰ ক্ষেত্ৰতো উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। তেওঁলোকৰ প্ৰচেষ্টাৰ ফলত অসমত শিক্ষাৰ এক নতুন যুগৰ সূচনা হয়।


(২) **এই প্ৰকল্পটোৰ উদ্দেশ্য :** এই প্ৰকল্পটোৰ উদ্দেশ্য হৈছে-

- অসমত আধুনিক শিক্ষাৰ আৰম্ভণি আৰু বিকাশ বুজা।
- খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদান বিশ্লেষণ কৰা।
- মিছনেৰীসকলৰ আগমনৰ পূৰ্বে অসমৰ শিক্ষা ব্যৱস্থাৰ অৱস্থা পৰ্যালোচনা কৰা।
- অসমীয়া ভাষা আৰু সাহিত্য ক্ষেত্ৰত তেওঁলোকৰ বৰঙণি আলোচনা কৰা।

P.T.O. →

Scanned with OKEN Scanner

## অসমত মিছনেৰীসকলৰ আগমনৰ পূৰ্বে শিক্ষা ব্যৱস্থা :-



চিত্ৰ : পুৰণি টোল শিক্ষা ব্যৱস্থা

Scanned with OKEN Scanner

মিছনেৰী সকলৰ আগমনৰ আগতে অসমৰ শিক্ষা ব্যৱস্থা মূলতঃ পৰম্পৰাগত আৰু ধৰ্মীয় আধাৰত গঢ় লৈ উঠিছিল।

• <u>টোল শিক্ষা</u> :- সংস্কৃত ভাষাৰ ওপৰত আধাৰিত শিক্ষা প্ৰধানকৈ ব্ৰাহ্মণ সমাজৰ মাজত সীমাবদ্ধ আছিল।


• <u>পাঠশালা</u> :- গ্ৰামাঞ্চলত সৰু সৰু পাঠশালা আছিল, য'ত প্ৰাথমিক গণিত আৰু ভাষা শিক্ষা দিয়া হৈছিল।

• <u>মাদ্ৰাছা শিক্ষা</u> :- মুছলমান সমাজৰ আৰবী-ফাৰ্চী শিক্ষা প্ৰচলিত আছিল।


এই শিক্ষা ব্যৱস্থা সীমিত পৰিসৰৰ আছিল। সাধাৰণ জনতাৰ মাজত শিক্ষাৰ প্ৰচলন যথেষ্ট নাছিল। নাৰীৰ শিক্ষাৰ ক্ষেত্ৰতো বিশেষ ব্যৱস্থা নাছিল, ফলত শিক্ষাৰ সুযোগ সমাজৰ সকলো স্তৰলৈ বিস্তাৰ হোৱা নাছিল।

Scanned with OKEN Scanner

## (৪) ব্ৰিটিছ শাসনৰ আগমন ঃ-



চিত্ৰ-১: ব্ৰিটিছ অফিচাৰৰ আগমন





চিত্ৰ-2: ইয়াণ্ডাবুৰ সন্ধি স্বাক্ষৰৰ দৃশ্য

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ ফলত অসমত ব্ৰিটিছ শাসন আৰম্ভ হয়। ইয়াৰ পিছতে পাশ্চাত্য শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়। ব্ৰিটিছসকলে নিজৰ প্ৰশাসন সুদৃঢ় কৰিবলৈ ইংৰাজী শিক্ষা প্ৰচলন কৰে। তেওঁলোকে বিদ্যালয় স্থাপন কৰে আৰু আধুনিক পাঠ্যসূচী প্ৰৱৰ্তন কৰে। ইয়াৰ লগত মিছনেৰীসকলেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

ইয়াৰ উপৰি ব্ৰিটিছ শাসনৰ ~~আগমনে~~ সময়ছোৱাত শিক্ষা ব্যৱস্থাক সু-সংগঠিত কৰিবলৈ নতুন নীতি-নিয়ম প্ৰৱৰ্তন কৰা হয়। চৰকাৰী বিদ্যালয়সমূহত ধীৰে ধীৰে ইংৰাজী ভাষাৰ লগতে গণিত, বিজ্ঞান আদি বিষয় অন্তৰ্ভুক্ত কৰা হয়। ফলস্বৰূপে অসমৰ শিক্ষা ব্যৱস্থাই পৰম্পৰাগত ধাৰাৰ পৰা আধুনিকতাৰ দিশলৈ আগবাঢ়িবলৈ আৰম্ভ কৰে।

এইদৰে ব্ৰিটিছ শাসনৰ আগমনে অসমত আধুনিক শিক্ষাৰ এক নতুন যুগৰ সূচনা কৰে, যাৰ ফলত পিছলৈ সমাজ জীৱনত বিভিন্ন ক্ষেত্ৰত উন্নতি সাধন সম্ভৱ হয়।

P.T.O →

## ৩) মিছনেৰী সকলৰ আগমন আৰু উদ্দেশ্য ঃ



চিত্ৰ ঃ 1 : নাথান ব্ৰাউন (Nathan Brown)



চিত্ৰ 2ঃ অলিভাৰ থমাছ কটাৰ (Oliver Thomas Cutter)

১৮৩৬ চনত Nathan Brown আৰু Oliver Thomas Cutter অসমলৈ ~~আমেৰিকান~~ আহে, তেওঁলোকে American Baptist Mission-ৰ সৈতে জড়িত আছিল। Nathan Brown, Oliver Thomas Cutter আৰু তেওঁলোকৰ সহকৰ্মীসকলে শিৱসাগৰত কাৰ্য আৰম্ভ কৰে।

মিছনেৰীসকলৰ আগমনৰ মূল উদ্দেশ্য সমূহ হৈছে—

(১) খ্ৰীষ্টান ধৰ্মৰ বাণী প্ৰচাৰ কৰা।

(২) বাইবেল আৰু অন্যান্য ধৰ্মীয় গ্ৰন্থসমূহ স্থানীয় ভাষালৈ অনুবাদ কৰা।

(৩) স্থানীয় জনসাধাৰণৰ মাজত নৈতিক আৰু সামাজিক সচেতনতা বৃদ্ধি কৰা।

(৪) শিক্ষা প্ৰদানৰ মাধ্যমে সমাজত নতুন জ্ঞান-বিজ্ঞানৰ প্ৰসাৰ কৰা।

তেওঁলোকে বুজি পাইছিল যে, শিক্ষাৰ জৰিয়তে ধৰ্মীয় আৰু সামাজিক চিন্তাধাৰা বিস্তাৰ কৰা সহজ হয়। সেই বাবে তেওঁলোকে বিদ্যালয় স্থাপন, পাঠ্যপুথি প্ৰস্তুত আৰু মুদ্ৰণ ব্যৱস্থাৰ উন্নয়নত গুৰুত্ব আৰোপ কৰে।

P.T.O →

Scanned with OKEN Scanner

## ৫ মিছনেৰী সকলৰ আধুনিক শিক্ষাৰ প্ৰসাৰ আৰু বিদ্যালয় প্ৰতিষ্ঠা:



চিত্ৰ: অসমত প্ৰথম ছাপাখানা (কিতাপ ছপোৱা দৃশ্য)


মিচনেৰীসকলে অসমত কেই বিদ্যালয় স্থাপন কৰে (যেনে- শিৱসাগৰ, নগাঁও, গুৱাহাটী আদি ঠাইত)। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ বাবে নতুন পাঠ্যপুথি প্ৰস্তুত কৰে আৰু বিজ্ঞান, গণিত, ভূগোল, ইতিহাস আদি বিষয় পাঠ্যসূচীত অন্তৰ্ভুক্ত কৰে।

১৮৪৬ চনত তেওঁলোকে 'অৰুণোদয়' নামৰ প্ৰথম আলোচনী প্ৰকাশ কৰে। 'অৰুণোদয়' আছিল অসমৰ প্ৰথম অসমীয়া সাময়িকী। ইয়াত খ্ৰীষ্টীয় বিষয়ৰ লগতে বিজ্ঞান, সমাজ, কৃষি আৰু স্বাস্থ্য সম্পৰ্কীয় লেখা প্ৰকাশ পাইছিল। তেওঁলোকে ছাপাখানা স্থাপন কৰি অসমীয়া ভাষাত বহু গ্ৰন্থ প্ৰকাশ কৰে। ইয়াৰ ফলত শিক্ষাৰ বিস্তাৰ তীব্ৰ হয় আৰু সমাজত সচেতনতা বৃদ্ধি পায়।

মিচনেৰীসকলে নাৰীৰ শিক্ষাৰ ক্ষেত্ৰতো বিশেষ ভূমিকা পালন কৰে। ছোৱালীৰ বাবে পৃথক বিদ্যালয় স্থাপন কৰা হৈছিল, যি সেই সময়ত এক সাহসী পদক্ষেপ আছিল।

P.T.O →

(৭) অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি



অৰুণোদই

Orunodoi.

A Monthly Paper Devoted to Religion, Science, and General Intelligence.

JANUARY, 1846, NO. 1 SIBSAGOR.


চিত্ৰঃ অৰুণোদয় আলোচনী (১৮৪৬)

মিচনেৰীসকলৰ অন্যতম গুৰুত্বপূৰ্ণ অৱদান আছিল অসমীয়া ভাষাৰ পুনৰুদ্ধাৰ আৰু বিকাশ, তেতিয়া বাংলা ভাষাক প্ৰশাসনিক ভাষা হিচাপে ব্যৱহাৰ কৰা হৈছিল, যাৰ ফলত অসমীয়া ভাষা সংকটত পৰিছিল। 'Nathan Brown'-এ অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰণয়ন আৰু অভিধান প্ৰস্তুত কৰাৰ জৰিয়তে ভাষাটোক সু-সংহত ৰূপ প্ৰদান কৰে।

বাইবেলৰ অংশসমূহ অসমীয়ালৈ অনুবাদ কৰা হৈছিল। 'অৰুণোদয়'ৰ দৰে সাময়িকীৰ জৰিয়তে অসমীয়া নতুন সাহিত্যিক ধাৰাৰ সৃষ্টি হয় আৰু বহু লেখকৰ উদ্ভৱ হয়। মিচনেৰী সকলৰ প্ৰচেষ্টাত অসমীয়া ভাষাই পুনৰ স্বীকৃতি লাভ কৰে।

P.T.O. →

Scanned with OKEN Scanner



চিত্রঃ বর্তমান আধুনিক শিক্ষা ব্যবস্থা

Scanned with OKEN Scanner

৮ **সামৰণি :-** অসমত আধুনিক শিক্ষাৰ বিস্তাৰত খ্ৰীষ্টান মিছনেৰীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আছিল। মিছনেৰীসকলে বিদ্যালয় প্ৰতিষ্ঠা, পাঠ্যপুথি প্ৰকাশ, নাৰী শিক্ষাৰ প্ৰসাৰ আৰু অসমীয়া ভাষাৰ উন্নয়নৰ জৰিয়তে অসমৰ সমাজক আধুনিকতাৰ দিশত আগুৱাই নিলে, যদিও তেওঁলোকৰ মূল লক্ষ্য ধৰ্মপ্ৰচাৰ আছিল, তথাপিও তেওঁলোকৰ শিক্ষামূলক আৰু সাংস্কৃতিক অৱদান অসমীয়া সমাজৰ বাবে এক যুগান্তকাৰী অধ্যায় হিচাপে চিৰস্মৰণীয় হৈ থাকিব।

৯ **গ্ৰন্থপঞ্জী :**

- গোস্বামী প. ০ কাজ, গতাৱলী গোস্বামী (অসমৰ আৰ্থ-সামাজিক ইতিহাস)

- শিক্ষামূলক চৰকাৰী ৱেবছাইট, ইন্টাৰনেট আদি।

—x—

Expt. No. ........ Date ........ Page No. ........

# PROJECT — GOPINATH BORDOLOI.

Submitted by —


Rinkumoni Konwar
Jorhat Kendriya Mahavidyalaya
BA 6th Semester
Rollno — 17
Department of History.
Subject — HISC12
Year — 2026.


Submitted to —


Nibedita Baruah
Department of History.


Teacher's Signature ........


Scanned with OKEN Scanner

প্ৰকল্প : গোপীনাথ বৰদলৈ ।

১. পৰিচয় : আধুনিক অসমৰ নিৰ্মাতা তথা মহান স্বাধীনতা সংগ্ৰামী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আছিল স্বাধীন অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী আৰু এজন জাতীয়তাবাদী নেতা। ১৮৯০ চনৰ ১০ জুনত নগাঁৱৰ ৰহাত জন্মগ্ৰহণ কৰা বৰদলৈ আছিল মহাত্মা গান্ধীৰ অহিংসা নীতিৰ এজন নিষ্ঠাবান অনুগামী। তেওঁৰ সৰল জীৱনশৈলী, গভীৰ দেশপ্ৰেম আৰু জনসাধাৰণৰ প্ৰতি থকা অপৰিসীম মৰমৰ বাবেই তেওঁক 'লোকপ্ৰিয়' উপাধিৰে বিভূষিত কৰা হৈছিল। ১৯৪৭ চনত ভাৰত বিভাজনৰ সময়ত বৃটিছৰ গ্ৰুপিং আঁচনিৰ কবলৰ পৰা অসমক ৰক্ষা কৰি ভাৰতৰ সৈতে অবিচ্ছেদ্য অংগ কৰি ৰখাত তেওঁ যি ঐতিহাসিক ভূমিকা পালন কৰিছিল, তাৰ বাবে তেওঁক 'অসমৰ ত্ৰাণকৰ্তা' বুলি অভিহিত কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয় আদি তেওঁৰ অৱদান। ১৯৯৯ চনত ভাৰত চৰকাৰে তেওঁক মৰণোত্তৰভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' সন্মানেৰে সন্মানিত কৰে।

২. প্ৰাৰম্ভিক জীৱন আৰু শিক্ষা : তেওঁ গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা হাইস্কুল শিক্ষা সমাপ্ত কৰে। ইয়াৰ পিছত ১৯০৭ চনত কটন মহাবিদ্যালয়ত নাম ভৰ্তি কৰে আৰু পাছত কলিকতাৰ স্কটিছ চাৰ্চ কলেজৰ পৰা

• গোপীনাথ বৰদলৈৰ জীৱন :





স্নাতক ডিগ্ৰী লাভ কৰে। ১৯১৪ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম. এ. আৰু আইন পৰীক্ষাত উত্তীর্ণ হয়।

তেওঁ শিক্ষা জীৱন সমাপ্ত কৰি কিছুদিন গোলাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে কাম কৰিছিল আৰু পৰৱৰ্তী সময়ত ওকালতি আৰম্ভ কৰিছিল।

৩. <u>ৰাজনীতিত প্ৰৱেশ</u> : গোপীনাথ বৰদলৈৰ ৰাজনৈতিক জীৱন আৰম্ভ হৈছিল ১৯১৭ চনত যেতিয়া তেওঁ উত্তৰ গুৱাহাটীত অনুষ্ঠিত 'অসম এছ'চিয়েছন'ৰ অধিৱেশনত অংশগ্ৰহণ কৰিছিল। ১৯২১ চনত মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁ সক্ৰিয় ৰাজনীতিত ভৰি দিয়ে। তেওঁ ওকালতি ত্যাগ কৰি অসহযোগ আন্দোলনত জঁপিয়াই পৰে আৰু কাৰাবাস খাটে। ১৯৩৬ চনত তেওঁ অসম বিধানসভালৈ নিৰ্বাচিত হয় আৰু বিৰোধী দলৰ নেতা হিচাপে কাৰ্য নিৰ্বাহ কৰে। পৰৱৰ্তী সময়ত ১৯৩৮ চনত চাৰ চৈয়দ মহম্মদ চাদুল্লাৰ চৰকাৰে পদত্যাগ কৰাৰ পিছত বৰদলৈৰ নেতৃত্বত এক সন্মিলিত চৰকাৰ গঠন হয় আৰু তেওঁ প্ৰথমবাৰৰ বাবে অসমৰ 'প্ৰধান মন্ত্ৰী' হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। এনেদৰেই এজন সাধাৰণ উকীলৰ পৰা তেওঁ ৰাজনীতিৰ মধ্যমণি হৈ পৰে।

• রাজনীতিতে প্রবেশ :



৪. <u>ভাৰতীয় স্বাধীনতা আন্দোলনত তেওঁৰ ভূমিকা</u> :

ভাৰতীয় স্বাধীনতা সংগ্ৰামত তেওঁৰ ভূমিকা আছিল অতি গুৰুত্বপূৰ্ণ।

• <u>অসহযোগ আন্দোলন</u> - ১৯২১ চনৰ অসহযোগ আন্দোলন আৰু ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনত তেওঁ সক্ৰিয় ভূমিকা লৈছিল। ইয়াৰ বাবে তেওঁ কেইবাবাৰো জেললৈ যাব লগীয়া হৈছিল।

• <u>গ্ৰুপিং আঁচনিৰ বিৰুদ্ধিতা</u> : স্বাধীনতাৰ ঠিক পূৰ্বে বৃটিছ চৰকাৰৰ 'কেবিনেট মিছন'ৰ 'গ্ৰুপিং আঁচনি'ৰ জৰিয়তে অসমক পূব পাকিস্তানৰ (বৰ্তমান বাংলাদেশ) অন্তৰ্ভুক্ত কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল। গোপীনাথ বৰদলৈয়ে মহাত্মা গান্ধীৰ আশীৰ্বাদ লৈ ইয়াৰ বিৰোধে তীব্ৰ প্ৰতিবাদ কৰি অসমক পাকিস্তানৰ হাতৰ পৰা ৰক্ষা কৰে।

৫. <u>অসমৰ প্ৰথমজন মুখ্যমন্ত্ৰী ৰূপে তেওঁৰ অবদান</u> :

১৯৪৬ চনত তেওঁ অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। তেওঁৰ উল্লেখযোগ্য অবদানসমূহ হ'ল —

• <u>প্ৰতিষ্ঠান স্থাপন</u> : গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী উচ্চ ন্যায়ালয়, অসম চিকিৎসা মহাবিদ্যালয় আৰু কটন কলেজৰ উন্নয়নত তেওঁৰ অবদান অপৰিসীম।

• <u>শৰণাৰ্থী সমস্যা সমাধান</u> : দেশ বিভাজনৰ পিছত পূব পাকিস্তানৰ পৰা অহা হাজাৰ হাজাৰ শৰণাৰ্থীক সংস্থাপন দিয়াত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।



Scanned with OKEN Scanner

• ভাৰতীয় স্বাধীনতা আন্দোলনত তেওঁৰ অংশগ্ৰহণ :





Scanned with OKEN Scanner

• অসমৰ পৰিচয় ৰক্ষা : তেওঁৰ দৃঢ়তাৰ বাবেই অসম আজি ভাৰতৰ মানচিত্ৰত অংশ হৈ আছে। তেওঁক 'আধুনিক অসমৰ স্থপতি' বুলি অভিহিত কৰা হয়।

৬. বঁটা আৰু স্বীকৃতি : গোপীনাথ বৰদলৈৰ নিঃস্বাৰ্থ দেশসেৱাৰ স্বীকৃতি স্বৰূপে:

• ভাৰত ৰত্ন : ১৯৯৯ চনত ভাৰত চৰকাৰে তেওঁক মৰণোত্তৰভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' প্ৰদান কৰে।

• লোকপ্ৰিয় উপাধি : অসমৰ ৰাইজে তেওঁক গভীৰ শ্ৰদ্ধাৰে 'লোকপ্ৰিয়' উপাধি প্ৰদান কৰিছিল।

তেওঁৰ স্মৃতিত গুৱাহাটীৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰটোৰ নাম 'লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ' ৰখা হৈছে।

৭. সামৰণি : ১৯৫০ চনৰ ৫ আগষ্টত এইগৰাকী মহান নেতাৰ মৃত্যু হয়। তেওঁ কেৱল এজন ৰাজনীতিবিদে নাছিল; তেওঁ আছিল অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ এজন প্ৰহৰী। তেওঁৰ ত্যাগ আৰু আদৰ্শই আজিও প্ৰতিজন অসমীয়াক অনুপ্ৰাণিত কৰে।



Scanned with OKEN Scanner

• তেওঁৰ স্মৃতি স্থাপন কৰা গুৱাহাটীৰ আন্তঃ ৰাষ্ট্ৰীয় বিমান বন্দৰটো ঃ



লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ।

Date ..........................

Expt. No. ................................ Page No. ...............

৮. <u>সহায়ক গ্ৰন্থপঞ্জী</u> :

১. আধুনিক অসমৰ নিৰ্মাতা : লোকপ্ৰিয় গোপীনাথ বৰদলৈ — ড° নিৰোদ কুমাৰ বৰুৱা ।

২. অসম বুৰঞ্জী — ড° এচ. এল. বৰুৱা ।

৩. চৰকাৰী তথ্যকোষ আৰু শিক্ষা বিভাগৰ পাঠ্যপুথি ।

Teacher's Signature ..........................

Expt. No.

Page No.
Date.

# PROJECT - Development of Satra Institutions


Submitted by -

Arti Balmiki
Jorhat Kendriya Mahavidyalaya
Department of History
B.A 6th Semester
Roll no - (26)
Subject : HISC - 14

Submitted to -

Karabi Baruah


Teacher's Signature ..........................

Scanned with OKEN Scanner

Page No.
Date.

## প্ৰকল্প : সত্ৰ অনুষ্ঠানৰ বিকাশ

১. আৰম্ভণি : অসমীয়া সমাজ আৰু সাংস্কৃতিৰ ধমনী স্বৰূপ হ'ল সত্ৰীয়া অনুষ্ঠান। পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমত যি নৱ-বৈষ্ণৱ ধৰ্মৰ ঢৌ বোৱাই দিছিল। সেই ধৰ্মক সাংগঠনিক ৰূপ দিয়াৰ স্থল কেন্দ্ৰই হ'ল সত্ৰ। সত্ৰ কেৱল এটা ধৰ্মীয় উপাসনা গৃহ নহয় ই অসমীয়া মানুহৰ শিল্প সাহিত্য কলা বিচাৰ-ব্যৱস্থা আৰু ঐক্যৰ এক অনন্য পীঠস্থান। ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি প্ৰাপ্ত সত্ৰীয়া নৃত্যৰ জন্ম আৰু লালন-পালন এই সত্ৰসমূহতেই হৈছে।

২. ঐতিহাসিক পটভূমি : সত্ৰক ঐতিহাসিক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি : আদি যুগ : শংকৰদেৱে বৰদোৱাত (বটদ্ৰৱা) প্ৰথমবাৰৰ বাবে 'থান' পাতি নামঘৰ সাজি ধৰ্ম চৰ্চা কৰিছিল। ইয়াৰ পিছত কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজত্বকাল ত কোচবিহাৰৰ ভেলা সত্ৰত ই পূৰ্ণ ৰূপ পায়।

• বিস্তাৰ যুগ : শংকৰদেৱৰ পিছত মাধৱদেৱ আৰু পৰৱৰ্তী সময়ত দামোদৰ দেৱ হৰিদেৱ আদি গুৰুসকলৰ উদ্যোগত সত্ৰৰ সংখ্যা বৃদ্ধি পায়। বিশেষকৈ মাধৱদেৱে স্থাপন কৰা বৰপেটা সত্ৰই সত্ৰীয়া পৰম্পৰাক এক শক্তিশালী সামাজিক সাংগঠনিক ৰূপ দিলে।

Scanned with OKEN Scanner





• **ৰাজকীয় পৃষ্ঠপোষকতা :** আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই প্ৰথমবাৰৰ বাবে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি সত্ৰক সত্ৰক ভূমি আৰু ধন দান কৰাৰ পিছত আহোম ৰাজত্বত সত্ৰৰ মহত্ত্ব আকাশলংঘী হয়। আউনীআটি, দক্ষিণপাট, গড়মুৰ আৰু কুৰুৱাবাহী — এই চাৰিখনক ৰাজ সত্ৰ হিচাপে জনা যায়।

৩. **সত্ৰৰ অৰ্থ আৰু ধাৰণা :** 'সত্ৰ' শব্দটোৰ উৎপত্তি সংস্কৃত 'সদ' (বহা) ধাতুৰ পৰা হৈছে, যাৰ অৰ্থ হ'ল সাধু — ভকতৰ মিলন ভূমি।

**সাংস্কৃতিক ধাৰণা :** এখন পূৰ্ণাংগ সত্ৰ হ'বলৈ চাৰিটা বস্তুৰ প্ৰয়োজন — গুৰু, দেৱ, নাম, ভকত আৰু ধৰ্ম।

• **গাঠনি :**

নামঘৰ : সত্ৰৰ সোঁ-মাজত থকা ডাঙৰ হল ঘৰটো য'ত নাম-কীৰ্তন কৰা হয়।

মণিকূট : নামঘৰৰ পূব দিশত থকা থাপনা ঘৰ, য'ত গুৰু আসনত (ভাগৱত) বা গুণমালা পুথি স্থাপন কৰা হয়।

চাৰিহাটী : নামঘৰৰ চাৰিওফালে ভকতসকল থাকিবলৈ সজা শাৰী শাৰী ঘৰ।

সত্ৰাধিকাৰ আৰু ডেকা সত্ৰাধিকাৰ : সত্ৰৰ আধ্যাত্মিক আৰু প্ৰশাসনিক মুৰব্বী।




Scanned with OKEN Scanner

Page No.
Date.

৪. সত্ৰ অৰ্থনীতি অনুষ্ঠানৰ বিকাশ আৰু ভূমিকা :

সত্ৰসমূহে অসমৰ জাতি গঠন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

- সাংহতি বিভাজন : কালক্ৰমত আদৰ্শগত পাৰ্থক্য অনুসৰি সত্ৰসমূহ চাৰিটা সংহতিত বিভক্ত হয় - পুৰুষ সংহতি, কাল সংহতি, নিকা সংহতি আৰু ব্ৰহ্ম সংহতি।
- সাংস্কৃতিক বিকাশ : সত্ৰৰ ভিতৰত গায়ন-বায়ন, ওজাপালি, সত্ৰীয়া নৃত্য আৰু অংকীয়া নাটৰ চৰ্চাই অসমীয়া সাংস্কৃতিক বিশ্বদৰবাৰত চিনাকি দিছে।

- অৰ্থনৈতিক ভূমিকা : সত্ৰসমূহৰ নিজাকৈ কৃষিভূমি আছিল আৰু ভকতসকলে হস্তশিল্প কাৰিকৰী কাম, আৰু মৃৎশিল্পৰ জৰিয়তে স্বাৱলম্বী হৈছিল।

৫. সামাজিক, ধাৰ্মিক আৰু শৈক্ষিক ভূমিকা :

- ক্ষেত্ৰ অৱদান আৰু ভূমিকা : সামাজিক জাতিভেদ আৰু অস্পৃশ্যতা দূৰ কৰি সকলোকে একতাৰ ডোলেৰে বান্ধি ৰখা। (শৰণ) ব্যৱস্থাৰ দ্বাৰা মানুহক নৈতিক চৰিত্ৰ গঠনত সহায় কৰা।

ধাৰ্মিক মূৰ্তি পূজাৰ পৰিৱৰ্তে নাম-কীৰ্তন আৰু একেশ্বৰবাদৰ (এক শৰণ নাম ধৰ্ম) প্ৰচাৰ কৰা। আধ্যাত্মিক শান্তি প্ৰদান কৰা।

শৈক্ষিক প্ৰাচীন কালত সত্ৰসমূহ আছিল একোখন

Teacher's Signature ..........





Scanned with OKEN Scanner

Page No.
Date.

কৈ আৱাসিক বিদ্যালয়। ইয়াত ব্যাকৰণ, ইংৰাজী, সংগীত আৰু লিপি বিদ্যা শিক্ষা দিয়া হৈছিল।
সাংস্কৃতিক সত্ৰীয়া নৃত্য – বৰগীত, ভাওনা, খোল-তাল প্ৰস্তুত কৰা আৰু মুখা শিল্পৰ সংৰক্ষণ।

৬. সামৰণি : সত্ৰীয়া অনুষ্ঠানসমূহ কেৱল অতীতৰ ইতিহাস নহয়, ই বৰ্তমানৰ অসমীয়া সমাজৰ বাবেও অপৰিহাৰ্য। কিন্তু বৰ্তমান সময়ত নগৰীকৰণ আৰু আধুনিকতাৰ বাবে সত্ৰীয়া সাংস্কৃতিক কিছু প্ৰত্যাহ্বানৰ সন্মুখত পৰিছে। সত্ৰৰ ভূমি বেদখল মুক্ত কৰা আৰু যুৱ প্ৰজন্মক সত্ৰীয়া শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাটো অতি প্ৰয়োজনীয়।
সত্ৰসমূহ জীয়াই থকা মানেই অসমীয়াৰ স্বাভিমান জীয়াই থকা। এই আধুনিকতাৰ ধামখুমীয়াত সত্ৰীয়া আদৰ্শ যাতে হেৰাই নাযায়, তাৰ বাবে চৰকাৰ আৰু ৰাইজৰ দায়িত্বৰ অতি উল্লেখযোগ্য।

৭. সহায়ক গ্ৰন্থপঞ্জী :

১। সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা – নাৰায়ণ চন্দ্ৰ গোস্বামী।
২। অসমৰ বৈষ্ণৱ ইতিহাস – ড° মহেশ্বৰ নেওগ।
৩। অসমীয়া সাহিত্যৰ বুৰঞ্জী – ড° সত্যেন্দ্ৰ নাথ শৰ্মা।
৪। বিভিন্ন ইন্টাৰনেটৰ উৎস আৰু স্থানীয়

Teacher's Signature ..........................

# PROJECT REPORT
## ON
# Paik and Khel system

Ujjal Bpogoi

## Introduction :-

The Paik system was a unique administrative and military organization introduced by the Ahom rulers. This system was implemented by Momai Tamuli Borbarua under King Pratap Singha, it mandated that all able-bodied males aged 16-50 serve the state in rotation organized into occupational or territorial units called khels. In exchange they received land for cultivation without paying direct taxes.

The khel system was part of the Paik organization. A khel was a professional or occupational guild. Paiks were grouped according to their skills or professions (such as blacksmiths, boat makers, soldiers, artisans etc). Each khel was under an officer who supervised work and collected service. The khel system helped in organizing labor efficiently and strengthening the economic structure of the Ahom state.

Teacher's Signature ..................

Scanned with OKEN Scanner

# Historical Context

The Paik system was introduced by Sukaphaa, the founder of the Ahom kingdom, in 1228 AD when he entered Assam. Later Ahom kings developed and expanded this system.

During the reign of Pratap Singha (1603 - 1641) the Khel system was recognized to make administration more efficiently. The Ahom kingdom ruled large parts of present-day Assam for nearly 600 years until it declined after conflicts with the Burmese Empire and later came under British rule. The Paik system consist of all the male aged between 16-50 years to work for the state and the Khel system consist of all the khels such as agriculture, trade, craftmen etc.

This system was one of the main reasons for the long survival and strength of the Ahom kingdom.

Scanned with OKEN Scanner

Page No.
Date.

## Structure and Explanation of the Paik and Khel system :-

### A. Paik System Structure


Every adult male in the kingdom (generally between 16 and 50 years) was registered as a Paik. They had to serve the state in return for land. Four paiks formed a group called a GOT. From these four one served the state at a time. The other three looked after agriculture and family work. The duty rooted among them.

### Officers in the Paik System :-

1) Bora – Leader of 20 paiks.
2) Saikia – Leader of 100 paiks
3) Hazarika – Leader of 1000 paiks
4) Phukan – Leader of 6000 paiks.

Scanned with OKEN Scanner

# Paik System Structure




Scanned with OKEN Scanner

Expt. No.

Page No.
Date.

## B. Khel System Structure

The khel system divided paiks into professional groups based on occupation. Each khel was responsible for specific services such as :-

1) Agriculture
2) Boat making
3) Blacksmith work
4) Army service
5) Construction work
6) Trade and Crafts

Each khel was supervised by an officer called khel officer or khel saikia. These officers reported to higher Ahom officials. To organize labour efficiently. To supply workers and soldiers to the Ahom state. To support the administration and economy.

The khel system was based on their own occupation. It really reshaped the whole Ahom administration system.

OXFORD

Teacher's Signature ..................

Scanned with OKEN Scanner

# Khel System Structure

(Central administration)

↓

Barbarua / Barphukan

↓

Rajkhowa

↓

Khel (Professional Group)

↓

- Military Trade
- Artisans Khel
- Agriculture Khel
- Craft Khel

Paiks (Adult Male workers / soldiers)

↓

GOT system (4 paiks = 1 GOT)

↓

1 on Duty / 3 at Home (Rotation System)

Scanned with OKEN Scanner

Page No.
Date.

## Socio Economic Impact

The Paik and khel system had a strong influence on society and the economy. The socio - economic Impact is divided into two aspects one is positive and the another one is negative.

### Positive Impact

1) Equal Responsibility :- Every family contributes to state service.

2) Land Distribution :- Paiks received land in return for service.

3) Economic Stability :- Agriculture and crafts were properly organised.

4) No Moneytary Tax :- Instead of money tax, people gave service.

### Negative Impact

1) Heavy burden during wars
2) Sometimes exploiting by officers
3) Decline in productivity when too many paiks were engaged

Teacher's Signature ..................

Scanned with OKEN Scanner

Page No.
Date.

## Military Impact

The Paik system formed the backbone of the Ahom army. The army are made up of paiks soldiers were trained in warfare. They built forts, roads, embankments and boats. This system helped the Ahoms resist Mughal invasions successfully.

The Ahoms defeated the Mughals several times especially in the famous Battle of Saraighat under Lachit Borphukan in 1671 because of the Paik system.

1) The kingdom had a ready reserve army

2) Defense was well organised

3) Resources were mobilised quickly during emergencies.

Teacher's Signature ..................

Scanned with OKEN Scanner

Expt. No.

Page No.
Date.

## Conclusion

The Paik and khel system was a unique administrative and military organization of the Ahom kingdom. It ensured efficient governance, economic stability and strong military defense.

Although the system later declined due to internal weaknesses and external invasions it remains one of the most remarkable systems in the history of Assam.

The Paik and khel system played a vital role in maintaining the strength and unity of the Ahom kingdom for centuries.

Teacher's Signature ..........................

OXFORD

Scanned with OKEN Scanner

. No.

Page No.
Date.

# Bibliography


- History of Early & Medieval Assam (Till 1826) M. Sharma.
- https://assam.pscnotes.com
- https://en.wikipedia.org.


Teacher's Signature ..............................

Scanned with OKEN Scanner